# প্ৰধানমন্ত্ৰীৰ জাপান ভ্ৰমণ

১৫ আগষ্ট ২০১৪

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ আগষ্ট ২০১৪ ৰ পৰা ৩ চেপ্তেম্বৰ ২০১৪ লৈ চৰকাৰী ভ্ৰমণৰ বাবে জাপানলৈ যাব ।এই ভ্ৰমণ কালত মোদীয়ে মহামান্য সম্ৰাটৰ সৈতে আনুষ্ঠানিক বৈঠকৰ সুযোগ পোৱাৰ উপৰিও জাপানৰ প্ৰধানমন্ত্ৰী শিনজো আবেৰ সৈতে বাৰ্ষিক শীৰ্ষ বৈঠকত মিলিত হব ।

ভাৰত আৰু জাপানৰ মাজত এক স্ট্ৰ্যাটেজিক আৰু আৰ্ন্তজাতিক অংশীদাৰিত্ব আছে ।প্ৰধানমন্ত্ৰীৰ জাপান ভ্ৰমণে ভাৰত আৰু জাপানৰ মাজত বন্ধুত্বৰ সম্বন্ধক সুদৃঢ় কৰিব ।

নতুন দিল্লী

১৫ আগষ্ট ২০১৪